# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2025
**Time :** 0900 Hrs.

## *Assamese Morning Bulletin*
## HEADLINES

১। বিধানসভাৰ শীতকালীন অধিৱেশনৰ কালি তৃতীয় দিনা বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত।

২। ৰাজ্যৰ শিক্ষাখণ্ডত আমূল পৰিৱৰ্তন সাধন হোৱা বুলি শিক্ষামন্ত্ৰীৰ দাবী।

৩। নগাঁও জিলাৰ লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা দখলীকৃত মাটিত কাইলৈ উচ্ছেদ অভিযান।

৪। ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি সামৰণি। সামৰণি অনুষ্ঠানত ৰঞ্জিত গগৈৰ দলৰ বিহু নাচ প্ৰদৰ্শন।

*আৰু*

৫। ডুবাইত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় পুৰুষ বক্সিং প্ৰতিযোগিতাৰ ভাৰতীয় দলত আকাশ কছাৰীৰ স্থান লাভ।

oooooo

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ কালি তৃতীয় দিনা বহুবিবাহ প্ৰতিৰোধ বিধেয়ক, অসম আৰক্ষী সংশোধনী বিধেয়ক, অসম সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ গঠনকে ধৰি কেইবাখনো বিধেয়ক গৃহীত হয়। বৈবাহিক সম্পৰ্কৰ বিশ্বাসযোগ্যতা বৰ্তাই ৰখাৰ লগতে মহিলাৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ঐতিহাসিক পদক্ষেপ হিচাপে বিধানসভাই কালি বহুবিবাহ প্ৰতিৰোধ বিধেয়ক গৃহীত কৰে। এই বিধেয়কৰ জৰিয়তে আইনীভাৱে প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা কাৰ্যক অপৰাধৰ শ্ৰেণীভুক্ত কৰিব খোজা হৈছে। বিধেয়কখনত পূৰ্বৰ বিবাহৰ কথা গোপনে ৰাখি দ্বিতীয় বিবাহ কৰা ব্যক্তিক ১০ বছৰ আৰু প্ৰথম বিবাহ বিচ্ছেদ নকৰাকৈ দ্বিতীয় বিবাহ কৰা ব্যক্তিক ৭ বছৰ কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰা হৈছে।

কংগ্ৰেছ, এ আই ইউ ডি এফ, চি পি আই এম আৰু ৰাইজৰ দলে বিধেয়কখনত ভালেমান সংশোধনৰ আৰু বাছনি সমিতিলৈ প্ৰেৰণৰ দাবী জনায়। বিভিন্ন বিষয়ত মুখ্যমন্ত্ৰীৰ আশ্বাসৰ পাছত কংগ্ৰেছ আৰু ৰাইজৰ দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰে। অৱশ্যে এ আই ইউ ডি এফ আৰু চি পি আই এম দলে তেওঁলোকৰ দাবীসমূহ প্ৰত্যাহাৰ কৰিবলৈ অস্বীকাৰ কৰে। ৰাষ্ট্ৰপতিৰ অনুমোদনৰ পাছত বিধেয়কখন আইনত পৰিণত হ'ব।

বিধানসভাই ৰাজহুৱা আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই উত্থাপন কৰা সত্ৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক ২০২৫ গৃহীত কৰে। তদুপৰি শিক্ষা খণ্ডত দুখনকৈ নতুন বিধেয়ক ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক আৰু চুকাফা বিশ্ববিদ্যালয় বিধেয়ক গৃহীত হয়।

০০০০০০০

ৰাজ্যৰ শিক্ষাখণ্ডত আমূল পৰিৱৰ্তন সাধন হৈছে বুলি দাবী কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ৪০৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে বুলি কালি বিধানসভাত উল্লেখ কৰে। বিধায়ক তেৰছ গোৱালাৰ এটা প্ৰশ্নৰ লিখিত উত্তৰত শিক্ষামন্ত্ৰীগৰাকীয়ে এই তথ্য প্ৰকাশ কৰে। বৰ্তমান এনে বিদ্যালয়সমূহত মুঠ ২৩ হাজাৰ ১৫৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্তি কৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ডাঃ পেগুৱে লগতে কয়, যে বৰ্তমান ৰাজ্যৰ চাহ বাগিচাসমূহত ১১৮ খন আদৰ্শ বিদ্যালয়ৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে আৰু প্ৰতিখন আদৰ্শ বিদ্যালয়তে পাঠদান ইতিমধ্যে আৰম্ভ হৈছে। ডাঃ পেগুৱে অনুমতিপ্ৰাপ্ত বিদ্যালয়-মহাবিদ্যালয়ৰ প্ৰাদেশিকীকৰণ সন্দৰ্ভত আন এটা প্ৰশ্নৰ উত্তৰত কয়, যে মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত অসম চৰকাৰৰ অনুমতিপ্ৰাপ্ত মুঠ ৪০২ খন অপ্ৰাদেশিকীকৃত মাধ্যমিক বিদ্যালয়ক প্ৰাদেশিকীকৰণ আইন ২০১৭ আৰু সংশোধনী আইন ২০১৮ৰ প্ৰয়োজনীয় অৰ্হতা নোহোৱাৰ বাবে এই বিদ্যালয়সমূহক প্ৰাদেশিকীকৰণৰ আওঁতাৰ বাহিৰত ৰখা হৈছে। আনহাতে উচ্চ শিক্ষা সঞ্চালকালয়ৰ অধীনত সকলো মহবিদ্যালয়কে প্ৰাদেশিকীকৰণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

বিধায়ক ৰাজেদ আলী চৌধুৰীৰ এটা প্ৰশ্নৰ উত্তৰত শিক্ষামন্ত্ৰীগৰাকীয়ে চৰ আৰু গ্ৰামীণ এলেকাৰ নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয়সমূহত ১৫ হাজাৰতকৈও অধিক শিক্ষকৰ পদ খালী হৈ আছে বুলি জানিবলৈ দিয়ে। একেদৰে চৰ আৰু গ্ৰামীণ এলেকাৰ মাধ্যমিক বিদ্যালয়সমূহতো ১২ হাজাৰতকৈও অধিক পদ খালী হৈ আছে বুলি ডাঃ পেগুৱে সদৰী কৰে। খালী হৈ থকা শিক্ষকৰ পদ কৰ্তনৰ বাবে বিৰোধীয়ে তোলা প্ৰস্তাৱ খাৰিজ কৰি তেওঁ খালী পদসমূহৰ পূৰণৰ বাবে নিযুক্তি প্ৰক্ৰিয়া চলি আছে বুলি জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰীয়ে লগতে কয়, যে অনাগত সময়ত দুৰ্গম আৰু চৰ অঞ্চলত বিদ্যালয় ভিত্তিত শিক্ষক নিযুক্তি দিয়া হ'ব। ইয়াৰ লগতে এনে শিক্ষকৰ নিযুক্তি অৱসৰৰ সময়লৈকে একে স্থানতে বাহাল থাকিব বুলিও তেওঁ সদৰী কৰে।

উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত স্নাতকোত্তৰ শিক্ষকৰ পদ সন্দৰ্ভত মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে নতুন সেৱা বিধি প্ৰস্তুত কৰি ৰাজ্যত শিক্ষকৰ পদোন্নতিৰ ব্যৱস্থা কৰা হ'ব বুলিও অৱগত কৰে।

***-বাইট-***

ৰাজ্যত নতুনকৈ বি এড কলেজ খোলাৰ প্ৰক্ৰিয়া বন্ধ হৈছে বুলি প্ৰকাশ কৰি ডাঃ পেগুৱে সংহত শিক্ষক প্ৰশিক্ষণ কাৰ্যসূচী– আই টি ই পিৰ পাঠ্যক্ৰমৰ কাৰণে অসমৰ ১৭ খন শিক্ষানুষ্ঠানে অনুমতি লাভ কৰিছে বুলি জানিবলৈ দিয়ে।

০০০০০০০

নগাঁও জিলা প্ৰশাসনে কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত লুটুমাৰী সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা দখলীকৃত মাটিত উচ্ছেদৰ প্ৰস্তুতি চলাইছে। কাইলৈ পুৱা ৭ বজাৰ পৰা বনাঞ্চলখনত উচ্ছেদ অভিযান চলোৱা হ'ব বুলি জিলা প্ৰশাসনে সদৰী কৰিছে। ইতিমধ্যে উচ্ছেদ অভিযানৰ বাবে অস্থায়ী আৰক্ষী শিবিৰ স্থাপন কৰা হৈছে। বন বিভাগৰ সূত্ৰই জনোৱা অনুযায়ী বনাঞ্চলখনৰ ৫ হাজাৰ ৯৬২ বিঘা মাটিত এহেজাৰ ৭০০টা পৰিয়ালে অবৈধভাৱে বাস কৰি আছে। অঞ্চলটোত উচ্ছেদৰ বাবে ইয়াৰ পূৰ্বে প্ৰশাসনে নিৰ্দিষ্ট সময় বান্ধি দিছিল যদিও শস্য চপোৱাৰ বাবে অতিৰিক্ত সময় নিৰ্ধাৰণ কৰি দিয়া হয়। দখলকাৰীসকলৰ একাংশই ইতিমধ্যেই দখলীকৃত ভূমিৰ পৰা আঁতৰি গৈছে।

ৰাজ্যৰ বনাঞ্চলত ১৪ হাজাৰ ১২৫ হেক্টৰ ভূমি ইতিমধ্যে দখলমুক্ত কৰা হৈছে বুলি বনমন্ত্রী চন্দ্রমোহন পাটোৱাৰীয়ে কালি বিধানসভাত উল্লেখ কৰে। বিধায়ক শিৰামণি বৰাৰ প্ৰশ্নৰ উত্তৰত এই দখলমুক্ত ভূমি কোনো কোম্পানীক দিয়া হোৱা নাই বুলিও মন্ত্রীগৰাকীয়ে প্রকাশ কৰে।

0000000

হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ৩০০ টকাকৈ জলপানি প্ৰদানৰ ব্যৱস্থা আজি আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হ'ব। এই উপলক্ষে পাঞ্জাবাৰীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১০ বজাত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষামন্ত্রী ডাঃ ৰণোজ পেগু উপস্থিত থাকিব। চলিত মাহৰ পৰা অহা চাৰি মাহলৈ দশম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে এই জলপানি লাভ কৰিব। শিক্ষাৰ্থীসকলৰ আত্মবিশ্বাস আৰু মনোবল বৃদ্ধিৰ উপৰি তেওঁলোকৰ অধ্যয়নৰ সামগ্ৰী তথা পুষ্টিকৰ খাদ্য ক্ৰয়ত সহায়ৰ বাবে **প্ৰেৰণা** শীৰ্ষক জলপানিৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ জৰিয়তে ৰাজ্যৰ চাৰি লাখ ৪০ হাজাৰৰো অধিক ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব বুলি আশা কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী, আদৰ্শ বিদ্যালয়সমূহত অধ্যয়নৰত চি বি এছ ইৰ দশম শ্ৰেণী শিক্ষান্ত পৰীক্ষাৰ পৰীক্ষাৰ্থী আৰু আৰ্থিক অৱস্থা নিৰ্বিশেষে অসমত স্থায়ীভাৱে বসবাস কৰা শিক্ষাৰ্থীয়ে এই জলপানিৰ বাবে আবেদন কৰিব পাৰিব।

0000000

গোৱাৰ পানাজীত অনুষ্ঠিত ৫৬ সংখ্যক ভাৰত আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ- IFFI-ৰ আজি সামৰণি পৰিব। মহোৎসৱৰ আজি অন্তিম দিনা ফ্ৰান্স, ছিংগাপুৰ আৰু থাইলেণ্ডৰ যুটীয়া প্ৰযোজনাৰে নিৰ্মিত থাই ভাষাৰ চিনেমা এ ইউজফুল ঘোষ্ট প্ৰদৰ্শন কৰা হ'ব। সামৰণি অনুষ্ঠান সন্দৰ্ভত গোৱাৰ পৰা এয়া চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদৰ বিশেষ প্ৰতিবেদন-

***-বাইট -***

কালি মহোৎসৱৰ কলা একাডেমীত অনুষ্ঠিত উত্তৰ-পূৰ্বাঞ্চলৰ চলচ্চিত্ৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ আলোচনাচক্ৰত অঞ্চলটোৰ কেইবাগৰাকীও চলচ্চিত্ৰ নিৰ্মাতাই অংশ লয়। ডমিনিক চাংমাই পৰিচালনা কৰা আলোচনা চক্ৰখনত চলচ্চিত্ৰ নিৰ্মাণৰ খ্যাতিসম্পন্ন সংস্থাৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত উত্তৰ-পূৰ্বাঞ্চলৰ নতুন প্ৰজন্মৰ চলচ্চিত্ৰ নিৰ্মাতাসকলে কিদৰে ছবি নিৰ্মাণৰ ক্ষেত্ৰত সম্পৰীক্ষা কৰিছে এই বিষয়ে আলোচনা কৰা হয়।

এইবাৰৰ মহোৎসৱত ৮১ খন দেশৰ ২৪০ খনৰো অধিক চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। মহোৎসৱৰ কেন্দ্ৰীয় ৰাষ্ট্ৰ জাপানৰ ৭ খন ছবি আৰু সহযোগী ৰাষ্ট্ৰ স্পেইনৰ ৪খন ছবি এইবাৰ প্ৰদৰ্শন কৰা হৈছে। যোৱা ২০ নৱেম্বৰত এই মহোৎসৱৰ শুভাৰম্ভ কৰা হৈছিল।

0000000

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ উদ্যোগত আজিৰে পৰা ১০ দিনীয়াকৈ তিনিচুকীয়াত অসম গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। জিলাখনৰ চলিহা নগৰ খেলপথাৰত বিয়লি চাৰে তিনি বজাত গ্ৰন্থমেলা উদ্বোধন কৰা হ'ব। উদ্বোধনী সভাত অসম সাহিত্য সভাৰ সভাপতি তথা বিশিষ্ট সাহিত্যিক ড° বসন্ত কুমাৰ গোস্বামী সন্মানীয় অতিথি আৰু সাহিত্যিক-সাংবাদিক দিলীপ চন্দন বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। গ্ৰন্থমেলাৰ আটাইকেইটা দিনতে ভাষা, সাহিত্য, সংস্কৃতি, ইতিহাস আদি বিষয় সামৰি

আলোচনা চক্ৰ অনুষ্ঠিত হ'ব। প্ৰতি সন্ধিয়া পাঁচ বজাৰ পৰা গ্ৰন্থমেলাৰ বাকৰিত বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাৰ্থীৰ মাজত বাৰেৰহনীয়া সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

০০০০০০০

বিশ্বনাথ জিলাত আৰক্ষীয়ে অভিযান চলাই গহপুৰৰ ডাঠকলা গাঁৱৰ পৰা কালি পাঁচজন গঁড় চিকাৰীক আটক কৰে। ধৃত চিকাৰী কেইজন হৈছে কোযেশ্বৰ দলে, উৎপল পেগু, তামাৰ গাইনু, বিনন্দ টায়েং আৰু ৰূপেশ্বৰ দলে। আৰক্ষীয়ে চোৰাং চিকাৰী কেইজনৰ পৰা দুখন বাহন জব্দ কৰে। চোৰাং চিকাৰী কেইজনক হেলেম আৰক্ষী থানাত জেৰা কৰি থকা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত এতিয়াও দুজন গঁড় চিকাৰী আছে বুলি আৰক্ষীয়ে তথ্য লাভ কৰাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া অঞ্চলত আৰক্ষীৰ অভিযান অব্যাহত আছে।

০০০০০০০

অসমৰ আকাশ কছাৰীয়ে ডুবাইত ২ৰ পৰা ১৪ ডিচেম্বৰলৈ হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় পুৰুষ বক্সিং প্ৰতিযোগিতাত ভাগল'বলগীয়া ভাৰতীয় দলত স্থান লাভ কৰিছে। এন আই এছ্ প্ৰশিক্ষক তথা অসম এমেছাৰ বক্সিং ফেডাৰেছনৰ সাধাৰণ সম্পাদক সন্দীপ সন্দিকৈয়ে দলটোৰ মেনেজাৰৰ দায়িত্ব লাভ কৰিছে। দলটো ৩০ নৱেম্বৰত ডুবাইলৈ ৰাওনা হ'ব।

০০০০০০০

## *News Paper Review*

অহা ৮ ফেব্ৰুৱাৰীত হ'ব চি টেট, ১৮ ডিচেম্বৰলৈ প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব, ফেব্ৰুৱাৰীত বিধানসভাত উত্থাপন হ'ব লাভ জেহাদ বিৰোধী বিধেয়ক, প্ৰাক্তন বিধায়ক ৰাজু চাহুসহ কংগ্ৰেছৰ চাৰি নেতাক গ্ৰেপ্তাৰ, পুৰণি পেন্সন পুনৰ প্ৰৱৰ্তনৰ দাবীত ৰাজ্যজুৰি কৰ্মচাৰীৰ কৰ্মবিৰতি, বিশ্বনাথত গ্ৰেপ্তাৰ ৫ গড় চিকাৰী আদি ভিন ভিন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ তীব্ৰ বিৰোধিতাৰে উত্তাল প্ৰতিবাদ- এই শিৰোনামেৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ মন্ত্ৰী গোটে প্ৰস্তুত কৰা প্ৰতিবেদন ৰাজ্যিক কেবিনেটে অনুমোদন দিয়াৰ পাছতেই জনজাতি সংগঠনসমূহৰ প্ৰতিবাদৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দেশৰ মুঠ ৫০ খন আটাইতকৈ বেছি প্ৰদূষিত জিলাৰ ভিতৰত অসমৰ ১১ খন জিলাৰ অন্তৰ্ভুক্তিৰ বাতৰি এটা দি আছাম ট্ৰিবিউন কাকতে তথ্য সহকাৰে প্ৰকাশ কৰিছে।

২০২৯ৰ ভিতৰত ৫ লাখ কোটি ডলাৰৰ অৰ্তনীতি হ'ব ভাৰত- এই শিৰোনামেৰে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা কোষে প্ৰকাশ কৰা এখন প্ৰতিবেদনৰ বাতৰি দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অসমত শৰীৰচৰ্চাৰ অন্যতম বাটকটীয়া সাতবাৰৰ মিষ্টাৰ ইণ্ডিয়া হৰকান্ত বৰগোঁহাইৰ কালি দেহাৱসান ঘটনাৰ বাতৰি নিয়মীয়া বাৰ্তা আৰু আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

**ৰাজ্যত ১৪ হাজাৰ ১২৫ হেক্টৰ বনাঞ্চলৰ ভূমি বেদখলমুক্ত** এই শিৰোনামেৰে বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে কালি বিধানসভাত এই তথ্য সদৰি কৰাৰ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

বিধানসভাত বহুবিবাহ নিষিদ্ধ কৰণৰ বিধেয়ক গৃহীত হোৱাৰ বাতৰি দ্যা ছেণ্টিনেল, আমাৰ অসম, অসমীয়া খবৰ আদি কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পৰ্যটন নিগমৰ নিযুক্তি কেলেংকাৰীৰ অন্যতম অভিযুক্ত প্ৰাক্তন সঞ্চালক মনালিছা গোস্বামীৰ আগতীয়া জামিন আবেদন গুৱাহাটী উচ্চ ন্যায়ালয়ে নাকচ কৰাৰ বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে পাছলৈ বতৰ আশিংকভাৱে ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৯ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ বতৰ শুকান হৈ থাকিব বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০০

**সমাপ্ত**